জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৩/২০২১

# বিশিষ্ট শিক্ষাবিদ, অধ্যাপিকা নিৰু হাজৰিকাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৫ জুলাই ঃ** বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নিৰু হাজৰিকাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নিৰু হাজৰিকাৰ বিয়োগত ৰাজ্যবাসীয়ে এগৰাকী বিশিষ্ট শিক্ষাবিদক হেৰুৱালে। ৰাজ্যৰ বিদ্যায়তনিক ক্ষেত্ৰখনলৈ তেওঁ অনন্য বৰঙনি যোগাই গৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত নিষ্ঠাৰে অধ্যাপনা কৰি তেখেতে কৃতিত্ব অৰ্জন কৰি গৈছে। এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ বিয়োগ আমাৰ ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নিৰু হাজৰিকাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**২৫/০৭/২০২১**